স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 ☐ NO-250 ☐ SUNDAY 16 NOVEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE- J1




কানৈ মহাবিদ্যালয়

## অসম সাহিত্য সভাৰ মৈত্ৰী বন্ধন অনুষ্ঠান

### বিহুনৃত্যৰ তালে তালে নাচিলে চিয়ক ইয়ং চাঙে

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৫ নৱেম্বৰ** ঃ অসম সাহিত্য সভাৰ বিদেশ মৈত্ৰী বন্ধন উপ-সমিতি, কানৈ মহাবিদ্যালয়ৰ শতদল শাখা সাহিত্য সভা, কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, স্বেচ্ছাসেৱী ১৩ পৃষ্ঠাত

BBA | MBA
BCA | MCA

Beyond the Classroom
Anytime, Anywhere



